# Phone call between Prime Minister Shri Narendra Modi and H.E. Dr. Thongloun Sisoulith, Prime Minister of Lao People's Democratic Republic

June 12, 2020

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু লাউ গণতান্ত্ৰিক গণৰাজ্যৰ প্ৰধানমন্ত্ৰী মহামান্য ডঃ থংলোন ছিছৌলিথৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

জুন 12, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি লাউ গণতান্ত্ৰিক গণৰাজ্যৰ প্ৰধানমন্ত্ৰী মহামান্য ডঃ থংলোন ছিছৌলিথৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

দুয়োগৰাকী নেতাই বিশ্বজুৰি ক'ভিড-19 মহামাৰীৰ ফলত দেখা দিয়া স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানসমূহৰ ওপৰত মত বিনিময় কৰে। লাউ গণতান্ত্ৰিক গণৰাজ্যৰ চৰকাৰে মহামাৰীৰ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৱলীৰ কাৰণে প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

দুয়োগৰাকী নেতাই ক'ভিড-19-ৰ পৰৱৰ্তী সময়ত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপ আৰু অভিজ্ঞতাসমূহ বিনিময় কৰাৰ সন্দৰ্ভত সহমত পোষণ কৰে।

লাউৰ সৈতে ভাৰতৰ ঐতিহাসিক আৰু সাংস্কৃতিক যোগাযোগৰ তথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ভাট ফৌত বিশ্ব ঐতিহ্যশালী অঞ্চলৰ সংস্কাৰমূলক কাম-কাজত সন্তোষ প্ৰকাশ কৰে। লাফৰ উন্নয়নমূলক কাৰ্যসূচী, সক্ষমতা বৃদ্ধি আৰু বৃত্তিৰ সন্দৰ্ভত বাৰতে আগবঢ়োৱা সহায়ৰ বাবে সাউৰ প্ৰধানমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোডীক ধন্যবাদ জ্ঞাপন কৰে।

ভাৰতৰ অন্যতম চুবুৰীয়া লাউৰ উন্নয়নমূলক অংশীদাৰিত্ব অব্যাহত ৰখাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰাই ব্যক্ত কৰে।

**নতুন দিল্লী**
**জুন 12, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.